ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮

( ১৯৪৮ চনৰ ৩১ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে .যথাবিদ্যমান ]

# The National Cadet Corps Act, 1948

( Act No. 31 of 1948 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ ৩১ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৬৫ - ৭০ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The National Cadet Corps Act, 1948 (31 of 1948) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 65 - 70.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮

ধাৰা সমূহৰ ক্ৰম

ধাৰাসমূহ


১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰয়োগ।

২। পৰিভাষা।

৩। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী গঠন।

৪। গোটসমূহৰ গঠন আৰু ভঙ্গকৰণ।

৫। সেনাবাহিনীৰ দলসমূহত বিভাজন।

৬। ভৰ্ত্তিকৰণ।

৭। কেন্দ্ৰীয় চৰকাৰে অন্য গোট গঠন কৰিব পাৰিব।

৮। অব্যাহতি।

৯। পদাধিকাৰী সকলৰ নিযুক্তি।

১০। এই অধিনিয়মৰ অধীনত ব্যক্তিসকলৰ কৰ্ত্তব্যসমূহ।

১১। এই অধিনিয়মৰ অধীনত অপৰাধ সমূহৰ বাবে দণ্ড।

১২। পৰামৰ্শ দাতা সমিতি গঠনৰ ক্ষমতা।

১৩। নিয়মাবলী প্ৰণয়ন কৰাৰ ক্ষমতা।

# অনুকূলন আদেশ আৰু সংশোধনী অধিনিয়ম সমূহ

১। বিধি অনুকূলন আদেশ, ১৯৫০ ।

২। 'খ' শ্ৰেণীৰ ৰাজ্য (বিধি) অধিনিয়ম, ১৯৫১ (১৯৫১ ৰ ৩) ।

৩। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী (সংশোধন) অধিনিয়ম, ১৯৫২ (১৯৫২ ৰ ৫৭) ।

৪। মুখ্য সেনানায়কসকল (পদবী পৰিবৰ্ত্তন) অধিনিয়ম, ১৯৫৫ (১৯৫৫ ৰ ১৯) ।

৫। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী (সংশোধন) অধিনিয়ম, ১৯৭৫ (১৯৭৫ ৰ ৫০) ।

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮

( ১৯৪৮ চনৰ ৩১ নং অধিনিয়ম )
[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ১৬ এপ্ৰিল, ১৯৪৮ ]

এটা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী গঠনৰ উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু এটা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী গঠন কৰাৰ বাবে ব্যৱস্থা কৰাটো সমীচীন ;

ইয়াৰ দ্বাৰা তলত লিখা মতে অধিনিয়মিত হ'ল ঃ-

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰয়োগ।**

১। (১) এই অধিনিয়মখনক ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮ বুলি কোৱা হয়।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ ভাৰততে হ'ব [১] X X X আৰু এই অধিনিয়মৰ অধীনত ভৰ্ত্তি হোৱা বা নিযুক্তি লাভ কৰা সকলো ব্যক্তিৰ ক্ষেত্ৰতে, লাগিলে য'তে তেওঁলোক নাথাকক, প্ৰযোজ্য হ'ব।

**পৰিভাষা।**

২। এই অধিনিয়মত কোনো বিষয় বস্তু বা প্ৰসংগত কোনো কথা বিপৰীতে নাথাকিলে ---

"সেনা বাহিনী" শব্দে এই অধিনিয়মৰ অধীনত গঠিত হোৱা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনীক বুজাব ;

"নাম ভৰ্ত্তি" শব্দে এই অধিনিয়মৰ অধীনত গঠিত হোৱা সেনা বাহিনীত নাম ভৰ্ত্তিকৰণক বুজাব ;

"বিহিত" শব্দে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাবলীৰ দ্বাৰা বিহিত কৰা বুজাব ;

"বিদ্যালয়" শব্দে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে স্বীকৃতি দিয়া যিকোনো অনুষ্ঠান অন্তৰ্ভুক্ত কৰিব ;

---

১। ১৯৫০ চনৰ অনুকূলন আদেশৰ দ্বাৰা অন্তৰ্ভুক্ত "হায়দৰাবাদ ৰাজ্যৰ ব্যতিৰেকে" এই শব্দাবলী ১৯৫১ চনৰ ৩ অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা বাদ দিয়া হৈছে।

"বিশ্ববিদ্যালয়" শব্দে ভাৰতৰ বিধি মতে স্থাপন কৰা যি কোনো বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন লাভ কৰা মহাবিদ্যালয়, মধ্যবৰ্ত্তী মহাবিদ্যালয়সমূহ আৰু মহাবিদ্যালয় পৰ্য্যায়ৰ কাৰিকৰী অনুষ্ঠানসমূহ যাক কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে এই মৰ্মে স্বীকৃতি দিছে, সেই সকলোবোৰ বুজাব।

**ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী গঠন।**

৩। ইয়াৰ পিছত দিয়া ব্যৱস্থা অনুসাৰে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনা বাহিনী নামেৰে এটা বাহিনী গঠন আৰু ৰক্ষণাবেক্ষণ কৰা হ'ব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে সেনা বাহিনীৰ সকলো বা যি কোনো গোট যদি আৰু যেতিয়াই প্ৰয়োজন হয় স্থাপন কৰিব পাৰিব।

**গোটসমূহৰ গঠন আৰু ভঙ্গকৰণ।**

৪। কেন্দ্ৰীয় চৰকাৰে যি কোনো ৰাজ্যতে[১] X X X এক বা অধিক এনে বাহিনীৰ গোট গঠন কৰিব পাৰিব যাৰ সভ্যসকল যি কোনো বিশ্ববিদ্যালয়ৰ বা বিদ্যালয়ৰ ছাত্ৰৰ ভিতৰৰ পৰা ভৰ্ত্তি কৰা হ'ব, আৰু এনেদৰে গঠন কৰা যি কোনো গোট ভাঙি দিব বা পুনৰ গঠন কৰিব পাৰিব।

**সেনা বাহিনীৰ দলসমূহত বিভাজন।**

৫। সেনা বাহিনীসমূহৰ তিনিটা দল থাকিব, যেনে -

(i) জ্যেষ্ঠ দল - যি দল কোনো বিশ্ববিদ্যালয়ৰ বালক শিক্ষাৰ্থীৰ মাজৰ পৰা ভৰ্ত্তি কৰা হ'ব ;

(ii) কনিষ্ঠ দল - যি দল কোনো বিদ্যালয়ৰ বালক শিক্ষাৰ্থীৰ মাজৰ পৰা ভৰ্ত্তি কৰা হ'ব ; আৰু

(iii) ছোৱালী দল - যি দল কোনো বিশ্ববিদ্যালয়ৰ বা বিদ্যালয়ৰ বালিকা শিক্ষাৰ্থী সকলৰ মাজৰ পৰা ভৰ্ত্তি কৰা হ'ব।

**ভৰ্ত্তিকৰণ।**

৬। (১) যি কোনো বিশ্ববিদ্যালয়ৰ বালক ছাত্ৰই জ্যেষ্ঠ দলত শিক্ষাৰ্থী সেনা হিচাবে নিজকে ভৰ্ত্তিকৰণৰ বাবে নাম প্ৰস্তাৱ কৰিব পাৰিব আৰু যি কোনো বিদ্যালয়ৰ বালক ছাত্ৰই নিজকে শিক্ষাৰ্থী সেনা হিচাবে কনিষ্ঠ দলত নাম ভৰ্ত্তিকৰণৰ কাৰণে নিজৰ নাম প্ৰস্তাৱ কৰিব পাৰিব, যদিহে তেওঁ বিহিত বা ততোধিক বয়স প্ৰাপ্ত হয়।

(২) যি কোনো বিশ্ববিদ্যালয়ৰ বা বিদ্যালয়ৰ বালিকা ছাত্ৰীয়ে নিজকে ছোৱালী দলত শিক্ষাৰ্থী সেনা হিচাবে ভৰ্ত্তিকৰণৰ কাৰণে নাম প্ৰস্তাৱ কৰিব পাৰিব ঃ

পৰন্তু পৰৱৰ্তী ক্ষেত্ৰত যদিহে তেওঁ বিহিত বয়স বা ততোধিক বয়স প্ৰাপ্ত হয়।

১। ১৯৫০ চনৰ অনুকূলন আদেশৰ দ্বাৰা "বা সন্মিলিত হোৱা ৰাজ্য" এই শব্দাৱলী বাদ দিয়া হৈছে।

**কেন্দ্রীয় চৰকাৰে অন্য গোট গঠন কৰিব পাৰিব ।**

৭। এই অধিনিয়মত কোনো কথা অন্তৰ্বিষ্ট সত্বেও, কেন্দ্রীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা যি কোনো অঞ্চলত কোনো সেনা বাহিনীৰ অন্য যি কোনো গোট গঠনৰ ব্যৱস্থা কৰিব পাৰিব আৰু তাত নাম ভৰ্ত্তিকৰণৰ বাবে কোন ব্যক্তিবৰ্গ বা কোন ব্যক্তিবৰ্গৰ শ্ৰেণী অৰ্হতাযুক্ত হব তাক বিহিত কৰিব পাৰিব ।

**অব্যাহতি ।**

৮। এই অধিনিয়মৰ অধীনত ভৰ্ত্তি হোৱা প্ৰত্যেক ল'ৰা বা ছোৱালীয়ে, তেওঁ যি সময়ৰ বাবে সেনা বাহিনীত ভৰ্ত্তি হৈছিল, সেই সময় উকলি গলে, বা তেওঁ যি বিশ্ববিদ্যালয় বা বিদ্যালয়ৰ পৰা আহিছিল তাৰ হাজিৰা বহীত নাম লোপ হলে সেই লৰা বা ছোৱালীয়ে সেনা বাহিনীৰ পৰা অব্যাহতি পাবৰ কাৰণে স্বত্ববান হব ঃ

পৰন্তু ভৰ্ত্তি হোৱা যি কোনো ব্যক্তিকেই যি কোনো বিহিত কৰিব পৰা সময়তে এনে প্ৰাধিকাৰীৰ দ্বাৰা আৰু এনে চৰ্ত্তাবলী সাপেক্ষে অব্যাহতি দিব পাৰিব ।

**পদাধিকাৰীসকলৰ নিযুক্তি ।**

৯। কেন্দ্রীয় চৰকাৰে সেনাবাহিনীৰ কোনো গোটত বা গোটৰ কাৰণে, হয় কোনো বিশ্ববিদ্যালয়ৰ বা বিদ্যালয়ৰ কৰ্মচাৰী সকলৰ মাজৰ পৰা, বা অন্য প্ৰকাৰে পদাধিকাৰীসকলৰ নিযুক্তিৰ কাৰণে ব্যৱস্থা কৰিব পাৰে আৰু তেনে প্ৰাধিকাৰীসকলৰ কৰ্ত্তব্য, ক্ষমতা আৰু কাৰ্য্যাবলী বিহিত কৰিব পাৰে ।

**এই অধিনিয়মৰ অধীনত ব্যক্তি সকলৰ কৰ্ত্তব্যসমূহ ।**

১০। এই অধিনিয়মৰ অধীনত কোনো ব্যক্তিয়ে এই সেনা বাহিনীত সভ্য ভৰ্ত্তি হোৱাৰ বাবেই সক্ৰিয় সামৰিক সেৱা কৰিবলৈ বাধ্য নহব, কিন্তু ইয়াৰ অধীনত বিহিত কৰিব পৰা তেনে কৰ্ত্তব্য সম্পাদন কৰিবলৈ আৰু তেনে দায়িত্ব পালন কৰিবলৈ বাধ্য হ'ব ।

**এই অধিনিয়মৰ অধীনত অপৰাধ সমূহৰ বাবে দণ্ড ।**

১১। এই অধিনিয়মৰ অধীনত ভৰ্ত্তি হোৱা প্ৰত্যেক ব্যক্তিয়ে এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়ম ভঙ্গ কৰিলে পঞ্চাছ টকা পৰ্য্যন্ত অৰ্থ দণ্ডৰে দণ্ডিত হব আৰু বিহিত কৰিব পৰা তেনে প্ৰাধিকাৰীৰ দ্বাৰা তেনে ধৰণে আদায় কৰা হ'ব ।

**পৰামৰ্শ দাতা সমিতি গঠনৰ ক্ষমতা ।**

১২। (১) কেন্দ্রীয় চৰকাৰে সেনা বাহিনীবোৰ গঠন আৰু প্ৰশাসনৰ সৈতে জড়িত নীতিৰ সকলো বিষয়তে ইয়াক পৰামৰ্শ দিয়াৰ উদ্দেশ্যে নিম্নোক্ত ব্যক্তি সকলৰ দ্বাৰা গঠিত এখন কেন্দ্রীয় পৰামৰ্শ দাতা সমিতি নিয়োগ কৰিব পাৰিব, যেনে ঃ ---

(ক) প্ৰতিৰক্ষা মন্ত্ৰী, যিজন সমিতিখনৰ সভাপতি হ'ব ;

(খ) ভাৰত চৰকাৰৰ সচিব, প্ৰতিৰক্ষা মন্ত্ৰালয়, পদেন ;

(গ) ভাৰত চৰকাৰৰ সচিব শিক্ষা মন্ত্ৰালয়, পদেন ;

(ঘ) বিত্তীয় উপদেষ্টা, প্ৰতিৰক্ষা বিভাগ, পদেন ;

[১][(ঙ) স্থল সেনাধ্যক্ষ, পদেন ;

(চ) নৌ সেনাধ্যক্ষ, পদেন ;

(ছ) বায়ু সেনাধ্যক্ষ, পদেন ; ]

(জ) কেন্দ্ৰীয় চৰকাৰে মনোনীত কৰিব লগীয়া পাঁচ জন বেচৰকাৰী সদস্য, আৰু

[২][(ঝ) সংঘৰ তিনিজন সদস্য যাৰ ভিতৰত দুজন লোকসভাৰ দ্বাৰা আৰু এজন ৰাজ্যসভাৰ দ্বাৰা নিৰ্বাচন কৰা হ'ব । ]

[৩][(১ক) উপধাৰা (১) ৰ দফা (i) ৰ অধীনত নিৰ্বাচিত কোনো সদস্যই তেওঁ নিৰ্বাচিত হোৱা তাৰিখৰ পৰা এবছৰ কাল, বা যিখন সদনে তেওঁক নিৰ্বাচিত কৰিছিল সেই সদনৰ সদস্য পদৰ অৱসান নোহোৱালৈকে যিটোৱে পূৰ্বে ঘটে, পদ ধাৰণ কৰিব । ]

(২) কেন্দ্ৰীয় চৰকাৰে একে উদ্দেশ্যেই উপধাৰা (১) ত বিনিৰ্দিষ্ট কৰা মতে সময়ে সময়ে বাঞ্ছনীয় বুলি বিবেচনা কৰিলে [৪]XXX তেনে ৰাজ্যিক উপদেষ্টা সমিতিবোৰও নিয়োগ কৰিব পাৰিব আৰু ইয়াৰ কাৰ্য্য আৰু কৰ্ত্তব্যসমূহ বিহিত কৰিব পাৰিব ।

**নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ।**

১৩। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উদ্দেশ্যাবলী পালন কৰিবৰলৈ [৫] নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষকৈ ওপৰত উল্লেখ কৰা ক্ষমতাৰ সাৰ্বজনীনতাৰ বিনা পক্ষপাতে তেনে নিয়মাৱলীয়ে --

(ক) এই অধিনিয়মৰ অধীনত বিশ্ববিদ্যালয় আৰু বিদ্যালয় সমূহৰ কোন চৰ্ত্তাবলীৰ সাপেক্ষে গোটসমূহ গঠন কৰিবৰ কাৰণে অনুমতি দিয়া হব সেই চৰ্ত্তাবলী বিহিত কৰিব পাৰিব,

---

১। ১৯৫৫ চনৰ ১৯ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা পূৰ্ববৰ্ত্তী দফা (ঙ), (চ) আৰু (ছ) ৰ বাবে প্ৰতিষ্ঠাপিত ।

২। ১৯৭৫ চনৰ ৫০ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

৩। একে অধিনিয়মৰ ধাৰা ২ দ্বাৰা অন্তঃস্থাপিত ।

৪। "প্ৰাদেশিক বা" এই শব্দাৱলী ১৯৫০ চনৰ অনুকূলন আদেশৰ দ্বাৰা বাদ দিয়া হৈছে ।

৫। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী নিয়মাৱলী, ১৯৪৮ ৰ বাবে অধিসূচনা নং ২৮৯, ভাৰতৰ ৰাজপত্ৰ ১৯৪৯, ভাগ-১, ধাৰা ৩, পৃঃ ২৩৯ চাওঁক ।

(খ) ৭ ধাৰাৰ অধীনত নাম ভৰ্ত্তিৰ বাবে যোগ্য হব পৰা ব্যক্তিসমূহ বা ব্যক্তিসমূহৰ শ্ৰেণী বিহিত কৰিব পাৰিব,

(গ) কোন সময়ৰ কাৰণে আৰু কোন চৰ্তৰ সাপেক্ষে কোনো ব্যক্তিৰ বা ব্যক্তিৰ শ্ৰেণীৰ লোকক এই অধিনিয়মৰ অধীনত ভৰ্ত্তি কৰিব পাৰিব তাক বিহিত কৰিব,

(ঘ) এই অধিনিয়মৰ অধীনত নাম ভৰ্ত্তি কৰিব খোজা ব্যক্তিসমূহৰ স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব পাৰিব,

(ঙ) এই অধিনিয়ম সাপেক্ষে কোনো ব্যক্তি বা ব্যক্তিসমূহৰ শ্ৰেণীৰ বাবে প্ৰাৰম্ভিক আৰু সাময়িক সামৰিক প্ৰশিক্ষণৰ ব্যৱস্থা বিহিত কৰিব পাৰিব,

(চ) সেনাবাহিনীৰ সভ্যসকলে সামৰিক শিক্ষা লাভ কৰি থকা সময়ত পালন কৰিব লগীয়া সামৰিক বা অন্য কৰ্ত্তব্যসমূহ বিহিত কৰিব পাৰিব আৰু সাধাৰণতে সেনা বাহিনীৰ সভ্যসকলে পালন কৰিবলগীয়া অনুশাসন ৰক্ষণাবেক্ষন কৰিবলৈ ব্যৱস্থা কৰিব পাৰিব ;

(ছ) এই অধিনিয়মৰ অধীনত নিযুক্তি দিয়া প্ৰাধিকাৰীসকলৰ কৰ্ত্তব্য, ক্ষমতা আৰু কাৰ্য্যাৱলী নিৰ্দ্দিষ্ট কৰিব পাৰিব ;

(জ) এই অধিনিয়মৰ অধীনত ব্যক্তিসমূহক দিবলগীয়া ভাট্টাসমূহ বা অন্যান্য পাৰিশ্ৰমিক বিহিত কৰিব পাৰিব ;

(ঝ) এই অধিনিয়মৰ অধীনত কোনো ব্যক্তিক অপসাৰণ বা বৰ্খাস্ত কৰাৰ বাবে ব্যৱস্থা কৰিব পাৰিব ;

(ঞ) এই অধিনিয়মৰ অধীনত কোনো ব্যক্তিক কেনে অপৰাধসমূহৰ বাবে বিচাৰ কৰিব পাৰে তাক বিহিত কৰিব পাৰে আৰু ইয়াৰ বিচাৰৰ বাবে ব্যৱস্থা কৰিব পাৰে ;

(ট) এই অধিনিয়মৰ অধীনত আৰোপিত জৰিমনাবোৰ কেনে ধৰণে আদায় কৰিব পাৰি তাক বিহিত কৰিব পাৰিব ;

(ঠ) কেন্দ্ৰীয় [১] x x x বা ৰাজ্যিক উপদেষ্টা সমিতিসমূহৰ কৰ্ত্তব্য, ক্ষমতা আৰু কাৰ্যাবলী বিহিত কৰিব পাৰিব ; আৰু

---

১ "প্ৰাদেশিক" - শব্দটো ১৯৫০ চনৰ অনুকূলন আদেশৰ দ্বাৰা বাদ দিয়া হৈছে।

(ড) এই অধিনিয়মৰ অধীনত হ্বলগীয়া আৰু হব পৰা অন্য যিকোনো বিষয়ৰ বাবে ব্যৱস্থা কৰিব পাৰিব ।

[১] [(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ই প্ৰণীত হোৱাৰ পিছত যিমান দুৰ সোনকালে সম্ভৱ হয় অধিবেশন চলি থকা সময়ত এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ উভয় সদনতে উপস্থাপন কৰিব আৰু যদিহে অব্যৱহিত পৰবৰ্ত্তী অধিবেশনৰ অবসানৰ পূৰ্বে বা উপৰোক্ত ক্ৰমাগত অধিবেশনসমূহৰ অবসানৰ পূৰ্বে উভয় সদনে সন্মতি দিয়ে যে নিয়মৰ কোনো সংশোধন প্ৰণয়ন কৰিব লাগে বা নিয়ম প্ৰণয়ন কৰিব নালাগে তেতিয়া ইয়াৰ পিছত নিয়ম, ক্ষেত্ৰ বিশেষে, তেনে সংশোধিত আকাৰতহে কাৰ্য্যকৰী হব বা কাৰ্যকৰী নহব, তত্ৰাচ এনে সংশোধন বা বাতিলকৰণ সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বৈধতাৰ বিনা পক্ষপাতে হব । ]

---

১। ১৯৭৫ চনৰ অধিনিয়ম ৫০ ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

# National Cadet Corps Act, 1948

## ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮

### Glossary of Terms

### পৰিভাষা

| Reference | English Terms | Assamese Equivalent |
|---|---|---|
| Section 2 | Corps | সেনাবাহিনী। |
| Section 4 | Enrollment | ভৰ্ত্তিকৰণ। |
| Section 6 (1) | Unit | গোট। |
| Section 8 | Discharge | অব্যাহতি। |
| Section 12 (1) | Advisory Committee | পৰামৰ্শদাতা সমিতি। |

## ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সেনাবাহিনী অধিনিয়ম, ১৯৪৮

### শুদ্ধপত্ৰ

| পৃষ্ঠা | ধাৰা | আছে | হব লাগে |
| --- | --- | --- | --- |
| ৬ | ১৩১ [(৩) চতুৰ্থ শাৰী | আৰু যদিহে অব্যৱহিত পৰবৰ্তী অধিবেশনৰ অৱসানৰ পূৰ্বে বা উপৰোক্ত ক্ৰমাগত অধিবেশন সমূহৰ অৱসানৰ পূৰ্বে | আৰু যদিহে, উক্ত অধিবেশনৰ বা পূৰ্বোক্ত ক্ৰমাগত অধিবেশন সমূহৰ অব্যৱহিত পৰবৰ্তী অধিবেশনৰ অৱসানৰ পূৰ্বে। |